No. of Printed Pages—2

40 (ASB)

[17-HDGKACRM-M1]

MA 1st Semester Exam., 2017

ASSAMESE

[MAS 01]

[অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্যযুগলৈ)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) লোকসাহিত্যৰ আঞ্চলিক বিভাজন বুলিলে কি বুজে ?

(b) *History of Bengali Literature*-ত অধ্যাপক দীনেশ চন্দ্ৰ সেনে 'শূন্যপুৰাণ' সম্পৰ্কে কোৱা কথাখিনি অসমীয়াত লিখক।

(c) অনন্ত কন্দলিৰ 'ৰামায়ণ' অনুবাদৰ সংক্ষিপ্ত পৰিচয় দিয়ক।

(d) ভট্টদেৱৰ ৰচনাৰাজিক কিদৰে শ্ৰেণীবিভাজন কৰিব পাৰি ?

(e) তুলাপাতত লিখা 'নল-দময়ন্তী' পুথিত থকা কবি পীতাম্বৰৰ ভণিতাটি উল্লেখ কৰক।

(f) চৰিত-পুথি ৰচনাৰ ইতিহাসত ৰামচৰণ ঠাকুৰৰ স্থান কি ?

2. তলৰ প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) অসমীয়া লোকসাহিত্যত ডাকৰ বচনৰ স্থান কি ?

(b) শংকৰী যুগৰ অসমীয়া সাহিত্যৰ পৰিচয় আগবঢ়াওক।

(c) 'পদ্মাপুৰাণ'ৰ বিষয়ে এটি টোকা লিখক।

(d) ভূষণ দ্বিজৰ পৰিচয় প্ৰদান কৰি তেওঁৰ কৃতিসমূহ মূল্যায়ন কৰক।

(Turn Over)

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) মিশ্ৰ অসমীয়া সাহিত্য শ্ৰেণীত 'শ্ৰীকৃষ্ণকীৰ্ত্তন'ৰ স্থান কি ?

(b) শ্ৰীধৰ কন্দলিৰ কৃতিসমূহ মূল্যায়ন কৰক।

(c) পাঁচালী সাহিত্যৰ চমু পৰিচয় আগবঢ়াওক।

(d) শংকৰোত্তৰ যুগৰ নাট্য-সাহিত্যৰ এটি পৰিচয় আগবঢ়াওক।

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো **চাৰিটাৰ** উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) অসমীয়া লোকসাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

(b) ভট্টদেৱৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে লিখক।

(c) নাৰায়ণদেৱৰ কাব্যখনত অসমীয়া সমাজজীৱনৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, বহলাই আলোচনা কৰক।

(d) অসমীয়া ব্যৱহাৰিক সাহিত্যৰাজিৰ বৈশিষ্ট্য কি ? আধুনিক অসমীয়া ভাষাৰ ক্ৰমবিকাশত এই শ্ৰেণীৰ সাহিত্যৰ কিবা ভূমিকা আছেনে ?

(e) বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি অসমীয়া ভাষাত এতিয়ালৈ ৰচিত হোৱা বুৰঞ্জী পুথি-কেইখনৰ চমু আভাস দাঙি ধৰক।

★★★